অসম

‘ডবল বিয়া’ৰ অভিনয়ৰ বাবে অসমত ৰাজপাল যাদৱ,জুবিন গার্গৰ সমাধিস্থলীত শ্রদ্ধাঞ্জলি

অসমলৈ আহি জুবিন ক্ষেত্রত উপস্থিত হৈ শিল্পীগৰাকীক শ্রদ্ধা নিবেদন কৰিলে বলীউডৰ জনপ্রিয় অভিনেতা ৰাজপাল যাদৱে।

প্রকাশ: ২৯ নৱেম্বৰ ২০২৬, আবেলি ৬:১৫



(NewzNow)

বলীউডৰ জনপ্রিয় অভিনেতা ৰাজপাল যাদৱে অসমত উপস্থিত হৈ প্রাণৰ শিল্পী জুবিন গার্গৰ শেষ শয়নস্থলীত শ্রদ্ধাঞ্জলি জ্ঞাপন কৰে। জুবিন গার্গৰ সৃষ্টি আৰু প্রতিভাক স্মৰণ কৰি অভিনেতাগৰাকীয়ে কয় যে তেওঁৰ কর্মই তেওঁক সদায় অমৰ কৰি ৰাখিব।

অসমীয়া ছবি ‘ডবল বিয়া’ত অভিনয় কৰাৰ উদ্দেশ্যে অসমলৈ আহিছে ৰাজপাল যাদৱ। অসম ভ্রমণৰ মাজতে তেওঁ জুবিন ক্ষেত্রলৈ গৈ প্রয়াত শিল্পীগৰাকীৰ প্রতি গভীৰ শ্রদ্ধা নিবেদন কৰে। এগৰাকী শিল্পীৰ প্রতি সন্মান

জনোৱাৰ বাবে এই স্থানতকৈ ডাঙৰ আন কোনো ঠাই হ’ব নোৱাৰে বুলি তেওঁ মন্তব্য কৰে।

শিল্পীগৰাকীক স্মৰণ কৰি ৰাজপাল যাদৱে কয় যে জুবিন গার্গে শ্ৰোতাক অসংখ্য স্মৰণীয় গীত উপহাৰ দি গৈছে। তেওঁৰ কণ্ঠ আৰু প্ৰতিভাৰ যাদু সমগ্ৰ দেশ তথা বিশ্বজুৰি বিয়পি পৰিছিল। অভিনেতাগৰাকীয়ে জুবিন গার্গৰ আত্মাৰ শান্তি কামনা কৰে।

> আমি নিজেও জুবিনৰ অনুৰাগী আছিলোঁ। দুয়ো পৃথক ক্ষেত্ৰৰ হ’লেও সংগীত আৰু অভিনয় জগতৰ মানুহ হিচাপে আমি একেটা বৃহৎ পৰিয়ালৰ অংশ।

অভিনেতাগৰাকীয়ে আশা প্ৰকাশ কৰে যে জুবিনৰ সৃষ্টিৰ যাদু ভৱিষ্যতেও মানুহৰ মাজত এনেদৰেই চিৰসেউজ হৈ থাকিব। এই ভ্ৰমণকালত তেওঁ অসমৰ ৰাইজৰ শিল্পীগৰাকীৰ প্ৰতি থকা গভীৰ আবেগ আৰু মৰমৰ কথাও উল্লেখ কৰে।

সুব্ৰত কাকতিৰ পৰিচালনাত নির্মাণ হ’বলগীয়া অসমীয়া ছবি ‘ডবল বিয়া’ৰ জৰিয়তে বলীউডৰ এই বিশিষ্ট অভিনেতাগৰাকীয়ে প্ৰথমবাৰৰ বাবে অসমীয়া চলচ্চিত্ৰত অভিনয় কৰিবলৈ সাজু হৈছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7697/rajpal-yadav-pays-tribute-zubeen-garg